# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date : 13-04-2025**
**Time :** 17-15 HRS

***Assamese Evening Bulletin***

- - - - - - - - - - - - - -

পঞ্চায়ত নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে কেইবাগৰাকীও প্ৰাৰ্থীয়ে জয়লাভ কৰিছে। কামৰূপ নিৰ্বাচনী জিলাৰ অন্তৰ্গত ২৪খন জিলা পৰিষদৰ ৩ গৰাকী প্ৰাৰ্থী আৰু ১৩৯টা আঞ্চলিক পঞ্চায়ত সদস্যৰ ২৫ গৰাকী প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ২৪ খন জিলা পৰিষদত মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। ইয়াৰে বেকেলী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দেৱজ্যোতি ৰাভা, পঞ্চতীৰ্থ হাজো জিলা পৰিষদৰ বিজেপিৰ প্ৰাৰ্থী ৰীতা তালুকদাৰ আৰু শৰাইঘাট কেতেকীবাৰী জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী বিৰাজ কুমাৰ নাথে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। জিলাখনৰ ১৩৯ খন আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে ৩১৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। গোলাঘাট দক্ষিণ আঞ্চলিক পঞ্চায়তৰ বিজেপি-অগপ মিত্ৰজোঁটৰ ৭ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। সৰুপথাৰ সম-জিলাৰ মুঠ ২১ খন গাঁও পঞ্চায়তৰ পৰা ২১০ টা ৱাৰ্ড সদস্যৰ নিৰ্বাচন হ'ব। ইয়াৰে ২৫ গৰাকী ৱাৰ্ড সদস্য বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। বজালী জিলাত চাৰিখনকৈ আঞ্চলিক পঞ্চায়ত বিজেপি-অগপ মিত্ৰদলৰ প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ৰ দিয়ে অগ্ৰসৰ হৈছে।

কোনো প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব বিচাৰিলে ১৭ এপ্ৰিলৰ বিয়লিৰ ৩ বজাৰ ভিতৰত আবেদন কৰিব লাগিব। সেইদিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব।

০০০০

অসমীয়াৰ হেঁপাহৰ ৰঙালী বিহুৰ আজি উৰুকা। ইতিমধ্যে কাইলৈ গো-ধনৰ শ্ৰীবৃদ্ধি কামনাৰে গৰু বিহু পালনৰ বাবে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। গুৱাহাটী মহানগৰীৰ বিভিন্ন বজাৰত প্ৰয়োজনীয় মাখিয়তি, দীঘলতি, থেকেৰা, বৰবেঙেনা, পানীলাও, হালধি আদি উপলব্ধ হৈছে। পৰহিলৈ অসমীয়া নৱবৰ্ষৰ প্ৰথমটো দিনত হেঁপাহৰ বিহুৱান লৈ বছৰটোৰ বাবে ৰাজ্যবাসীয়ে পৰস্পৰৰ কুশল কামনা কৰিব। ৰাজ্যজুৰি বিহু উপলক্ষে উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে জনসাধাৰণ অসমীয়া নৱবৰ্ষক পৰম্পৰাগত ৰীতি-নীতিৰে আদৰিবলৈ সাজু হৈছে।

গুৱাহাটী মহানগৰীৰ প্ৰান্তে প্ৰান্তে স্থাপিত গামোচাৰ বিপণীৰ লগতে ফাঁচী বজাৰ, গণেশগুৰি, পল্টন বজাৰ আৰু বিভিন্ন শ্বপিংমলত কাপোৰ ক্ৰয় কৰাৰ বাবে গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হৈছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই কাইলৈ জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে কাইলৈৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

গুৱাহাটীৰ বেলতলা বিহু উদযাপন সমিতিয়ে এইবছৰো অহা ২৪ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ বেলতলা বিদ্যালয় খেল পথাৰত ৪৮ সংখ্যক ব'হাগী উৎসৱৰ আয়োজন কৰিছে। এইবেলি বিহু উদ্যাপন সমিতিৰ সৰ্বোচ্চ সন্মান ড° ভূপেন হাজৰিকা বঁটা কণ্ঠশিল্পী জুবিন গাৰ্গক প্ৰদান কৰা হ'ব। তদুপৰি ৰাজ্যৰ বিভিন্ন বিহুমঞ্চত শ্ৰেষ্ঠত্ব অৰ্জন কৰা বিহুৱতীসকলৰ মাজত প্ৰতিযোগিতা অনুষ্ঠিত কৰি পাটমাদৈ বঁটা প্ৰদান কৰা হ'ব।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত আজি ৰোগীৰ বাবে অত্যাধুনিক ৰ'ব'টিক চাৰ্জাৰী ব্যৱস্থা মুকলি কৰে। অসমৰ স্বাস্থ্য সেৱাৰ যাত্ৰাত এয়া এক বৃহৎ মাইলৰ খুটি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে ১৪ কোটি ৯৯ লাখ টকা প্ৰকল্প ব্যয়েৰে এই ৰ'ব'টিক চাৰ্জাৰী ব্যৱস্থাটো ভাৰত চৰকাৰৰ এন পি চি দি চি এছ্ আঁচনিৰ অধীনত ক্ৰয় কৰিছে। এই ৰ'ব'টিক ব্যৱস্থাৰে বহু জটিল অস্ত্ৰোপচাৰো এতিয়া সহজে সম্পন্ন কৰিব পৰা হ'ব বুলি শ্ৰীশৰ্মাই প্ৰকাশ কৰিছে।

০০০০

বজালী জিলাৰ পাঠশালাৰ ওচৰৰ গাড়িসত্ৰত আজি এটা সাতোৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। অসম সাঁতোৰ সন্থাৰ সম্পাদক তথা ছুইমিং ফেডাৰেশ্বন অৱ ইণ্ডিয়াৰ উপ সভাপতি ভাস্কৰ দাসে বজালীৰ বিশিষ্ট সমাজকৰ্মী তথা বজালী সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰৰ সভাপতি মনোজ শৰ্মাৰ তত্বাৱধানত প্ৰাকৃতিক পৰিবেশৰ মাজত নিৰ্মাণ কৰা এই সাঁতোৰ প্ৰশিক্ষণ কেন্দ্ৰটো ২০২৫-২৬ বৰ্ষৰ বাবে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ৰাষ্ট্ৰীয় পৰ্যায়ত সাঁতোৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সুনাম অৰ্জন কৰা কিশোৰী সাতোৰবিদ গংগোত্ৰী দেৱচৌধুৰী, কুৱলি দত্ত, স্নেহা দাস, গীতম দাস আৰু পৌলমী দাসক সম্বৰ্ধনা জনোৱা হয়। কেইবাগৰাকীও সাতোৰ প্ৰশিক্ষক আৰু বিশিষ্ট ব্যক্তিয়ে অনুষ্ঠানটোত অংশগ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলক সাতোৰ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ বিষয়ে  বক্তব্য আগবঢ়ায়।

০০০০

সমাপ্ত